**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-11-2024
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***HEADLINES***
***- - - - - - - - - - - -***

১। পাঁচদিনীয়া ভ্ৰমণসূচীৰে আজি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নাইজেৰিয়া, ব্ৰাজিল আৰু গায়ানালৈ ৰাওনা।

২। সমগ্ৰ দেশৰ লগতে আজি অসমতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন।

৩। নতুন দিল্লীৰ ছাই ইন্দিৰা গান্ধী ষ্টেডিয়ামত বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষ্যে ৭৩ সংখ্যক বড়ো সাহিত্য দিৱস উদযাপন।

**আৰু**

৪। মণিপুৰত শান্তি শৃংখলা ঘূৰাই আনিবলৈ সুৰক্ষা বাহিনীসমূহক প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ গৃহ মন্ত্ৰালয়ৰ নিৰ্দেশ।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি পাঁচদিনীয়া ভ্ৰমণসূচীৰে নাইজেৰিয়া, ব্ৰাজিল আৰু গায়ানা ভ্ৰমণৰ বাবে ৰাওনা হৈছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰথমে নাইজেৰিয়াত উপস্থিত হৈ ৰাষ্ট্ৰপতি বোলা আহমেদ টিনুবুক সাক্ষাৎ কৰিব। ৰাওনা হোৱাৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰীয়ে কয়, যে এয়া তেওঁৰ পশ্চিম আফ্ৰিকাত ভাৰতৰ ঘনিষ্ঠ সহযোগী নাইজেৰিয়ালৈ প্ৰথম ভ্ৰমণ হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰত আৰু নাইজেৰিয়াৰ দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ বাবে দেশখনৰ শীৰ্ষ নেতৃত্বৰ সৈতে বৈঠকত মিলিত হ'ব। তেওঁ কয়, যে এই ভ্ৰমণে গণতন্ত্ৰ আৰু বহুত্ববাদৰ পাৰস্পৰিক বিশ্বাস আধাৰত দেশখনৰ সৈতে কৌশলগত সহযোগিতা গঢ়ি তোলাৰ সুযোগ প্ৰদান কৰিব। তেওঁ লগতে নাইজেৰিয়াত বাস কৰা ভাৰতীয় মূলৰ লোক আৰু নাইজেৰিয়া জনসাধাৰণো সাক্ষাৎ কৰিবলৈ আগ্ৰহ প্ৰকাশ কৰে। নাইজেৰিয়াৰ একাংশ জনসাধাৰণে প্ৰধানমন্ত্ৰীলৈ হিন্দী ভাষাত আদৰণি বাৰ্তা প্ৰেৰণ কৰিছে। নাইজেৰিয়াৰ পৰা শ্ৰী মোদীয়ে পৰহিলৈ ব্ৰাজিললৈ ৰাওনা হ'ব। দেশখনত তেওঁ জি-টুৱেণ্টি সন্মিলনত অংশগ্ৰহণ কৰিব। জি-টুৱেণ্টি সন্মিলনত কেইবাটাও বিষয় সন্দৰ্ভত আলোচনা কৰাৰ পাছত অহা ১৯ আৰু ২০ নৱেম্বৰত প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে গায়ানা ভ্ৰমণ কৰিব। গায়ানাত তেওঁ ৰাষ্ট্ৰপতি মহম্মদ ইৰফাল আলীৰ লগতে শীৰ্ষ নেতৃবৃন্দৰ সৈতে আলোচনাত মিলিত হ'ব।

০০০০০০০০

দেশৰ বিভিন্ন প্ৰান্তৰ লগতে আজি অসমতো ৰাষ্ট্ৰীয় প্ৰেছ দিৱস পালন কৰা হৈছে। এই উপলক্ষে তথ্য আৰু জনসংযোগ সঞ্চালকালয়ে দিছপুৰত লোকনিৰ্মাণ বিভাগৰ সন্মিলন আৰু প্ৰশিক্ষণ কেন্দ্ৰত আয়োজন কৰা অনুষ্ঠানত তথ্য, জনসংযোগ, মুদ্ৰণ আৰু লেখন সামগ্ৰী বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানটোত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট গল্পকাৰ আৰু প্ৰাক্তন আৰক্ষী সঞ্চালকপ্ৰধান ড০ কুলধৰ শইকীয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰে। গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰকৃতি বিষয়ত বক্তৃতা প্ৰদান কৰি বিশিষ্ট গল্পকাৰজনে ডিজিটেল মাধ্যমৰ আগমনৰ ফলত গণ মাধ্যমত পৰিলক্ষিত

হোৱা পৰিৱৰ্তনসমূহৰ বিষয়ে উল্লেখ কৰে। তেওঁ লগতে কয়, যে ডিজিটেল মাধ্যমৰ আগমন অৱশ্যম্ভাবীয় আৰু সময়োপযোগী পৰিৱৰ্তন, কিন্তু এই পৰিৱৰ্তনৰ হাত ধৰি অহা ভুৱা তথ্য প্ৰচাৰৰ দৰে বিষয়সমূহৰ প্ৰতি নাগৰিকসকল সচেতন হোৱা উচিত। গণ্য মাধ্যমৰো এইক্ষেত্ৰত সঠিক তথ্য প্ৰদানৰ দায়িত্ব আছে বুলিও শ্ৰী শইকীয়াই কয়। অনুষ্ঠানত তথ্য আৰু গণসংযোগ বিভাগৰ সঞ্চালক, আছাম ট্ৰিবিউনৰ কাৰ্যবাহী সম্পাদককে ধৰি ভালেকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

গুৱাহাটী প্ৰেছ ক্লাবৰ উদ্যোগতো আজি ৰাষ্ট্ৰীয় প্ৰেছ দিৱস উপলক্ষে 'গণ মাধ্যমৰ পৰিৱৰ্তিত প্ৰেক্ষাপট ঃ স্বাধীনতা আৰু বিশ্বাসযোগ্যতা' শীৰ্ষক এটা বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। বিশিষ্ট লেখক, সাংবাদিক, পদ্মশ্ৰী অৰূপ কুমাৰ দত্তই এই বক্তৃতা আগবঢ়ায়। তেওঁৰ বক্তৃতাত শ্ৰী দত্তই ৭০ৰ দশকৰ পাছৰ পৰা ছপা মাধ্যমৰ বিশ্বাসযোগ্যতা ক্ৰমাৎ কমিবলৈ ধৰে আৰু বৈদ্যুতিন মাধ্যমৰ প্ৰচলনৰ পাছত এই বিশ্বাসযোগ্যতা আৰু হ্ৰাস পায় বুলি মন্তব্য কৰে। বৈদ্যুতিন মাধ্যমে বৰ্তমান সস্তীয়া জনপ্ৰিয়তা আৰু উপাৰ্জনৰ আহিলাৰূপে লঘু বাতৰিক গুৰুত্ব দিয়াৰ প্ৰৱণতাক ছপা মাধ্যমেও অনুকৰণ কৰাতো দুৰ্ভাগ্যজনক বুলি বিশিষ্ট লেখকগৰাকীয়ে কয়। সচেতন জনসাধাৰণে সংবাদমাধ্যমক পুনৰ দায়িত্বশীল আৰু বিশ্বাসযোগ্য কৰিব পাৰিব বুলি শ্ৰী দত্তই আস্থা প্ৰকাশ কৰে। অনুষ্ঠানত বিশিষ্ট সাংবাদিক সুশান্ত তালুকদাৰ, ৰাজীৱ লোচন বৰঠাকুৰ আৰু প্ৰেছ ক্লাবৰ সভাপতি সুস্মীতা গোস্বামী উপস্থিত থাকে।

এই দিৱসৰ লগত সংগতি ৰাখি অসমৰ বিভিন্ন জিলাতো বিস্তৃত কাৰ্যসূচীৰ আয়োজন কৰা হয়। তিনিচুকীয়া, মাজুলী, কাৰ্বি আংলং, গোলাঘাট, যোৰহাট, ধুবুৰী, শিৱসাগৰ, মানকাচৰ আৰু বৰপেটা জিলাতো জিলা প্ৰশাসন তথা জিলা তথ্য আৰু জনসংযোগ বিষয়াৰ উদ্যোগত ৰাষ্ট্ৰীয় প্ৰেছ দিৱসৰ আয়োজন কৰা হয়। প্ৰেছ দিৱস উপলক্ষে মন্ত্ৰী ৰণজিত কুমাৰ দাসে পাঠশালা প্ৰেছ ক্লাবৰ নিৰ্মীয়মান ভৱনৰ নিৰ্মাণকাৰ্যত শ্ৰমদান কৰে। নগাঁও জিলাত এই উপলক্ষে হয়বৰগাঁও প্ৰেছ ক্লাবৰ উদ্যোগত নগাঁৰৰ সাহিত্য সভাৰ ভৱনত আয়োজন কৰা এটা অনুষ্ঠানত কেইবাগৰাকী বিশিষ্টি ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰাৰ লগতে ড০ আবু হানিফা স্মাৰক বঁটাও আগবঢ়োৱা হয়। মৰিগাঁৱৰ জ্যেষ্ঠ সাংবাদিক আৰু আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ অংশকালীন সংবাদদাতা ডালিম ফুকনলৈ চলিত বৰ্ষৰ বঁটা আগবঢ়োৱা হয়। বঁটা গ্ৰহণ কৰি শ্ৰী ফুকনে আকাশবাণীৰ সংবাদদাতাৰ আগত এইদৰে কয়-

বাইট (ডালিম ফুকন)

০০০০০০০০

নতুন দিল্লীৰ ছাই ইন্দিৰা গান্ধী ষ্টেডিয়ামত আজি বড়ো সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষ্যে ৭৩ সংখ্যক বড়ো সাহিত্য দিৱস উদযাপন কৰা হয়। বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীয়ে আনুষ্ঠানিকভাৱে সভাৰ পতাকা উত্তোলন কৰে আৰু তাৰ পাছতে ফুলেৰে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি সাংস্কৃতিক সমাবেশৰ শুভাৰম্ভণি কৰে। অসমতো কোকৰাঝাৰৰ ফকিৰাগ্ৰাম মহাবিদ্যালয় আৰু বড়ো সাহিত্য সভাৰ কোকৰাঝাৰ শাখাৰ উদ্যোগত বড়ো সাহিত্য দিৱসৰ কাৰ্যসূচী ৰূপায়ন কৰা হয়। উল্লেখযোগ্য যে নতুন দিল্লীত কালি প্ৰথমবাৰৰ বাবে আয়োজন কৰা বড়োলেণ্ড মহোৎসৱত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকে।

০০০০০০০০

উত্তৰ-পূব সীমান্ত ৰে'লৱেই ইয়াৰ অধিক্ষেত্ৰাধীনৰ প্ৰতিখন ৰাজ্যতে সামগ্ৰী যোগান ধৰাৰ প্ৰচেষ্টা অব্যাহত ৰাখি অক্টোবৰ মাহত ৯২১ খন মালবাহী ৰে'লৰ পৰা সামগ্ৰী নমায়। উত্তৰ-পূব সীমান্ত ৰে'লৱেই

মাহটোত চাউল, চেনি, নিমখ, খোৰাতেল, অন্যান্য  খাদ্য শস্য, সাৰ, চিমেণ্ট, যান-বাহনকে ধৰি ভালেসংখ্যক নিত্য ব্যৱহাৰ্য প্ৰয়োজনীয় সামগ্ৰী অঞ্চলটোলৈ পৰিবহণ কৰে। অসমলৈ মুঠ ৫৩৬ খন মালবাহী ৰে'লৰ ৰেক অহাৰ বিপৰীতে ত্ৰিপুৰালৈ ৫৯ খন, নাগালেণ্ডলৈ ১৫ খন, অৰুণাচল প্ৰদেশলৈ ১০ খন, মণিপুৰলৈ ১০ খন আৰু মিজোৰামলৈ এখন মালবাহী ৰে'লৰ ৰেক অক্টোবৰ মাহত পৰিবহণ কৰে। ৰে'লৱে সংমণ্ডলটোৰ অন্তৰ্গত পশ্চিমবংগলৈ ১৬০ খন আৰু বিহাৰলৈ ১৪০ খন মালবাহী ৰে'লৰ ৰেক মাহটোত পঠিওৱা হয়। ইয়াৰ লগতে বিগত সময়ছোৱাত অঞ্চলটোত দ্বৈত ৰে'লপথ নিৰ্মাণৰ কাম ত্বৰান্বিত হোৱাৰ লগতে ৰে'ল পৰিবহণৰ সৈতে জড়িত কাৰিকৰী বিষয়সমূহৰ উন্নতিৰ ফলত মালবাহী ৰে'লসমূহৰ পৰিবহণ দ্ৰুতগতিত বৃদ্ধি পোৱা বুলি আজি উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়াই জানিবলৈ দিছে।

০০০০০০০০

শিশু আৰু ৰহস্য সাহিত্যিক ৰঞ্জু হাজৰিকাক আজি আনুষ্ঠানিকভাৱে ২০২৪ বৰ্ষৰ সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটা প্ৰদান কৰা হয়। সাহিত্য একাডেমীৰ অধ্যক্ষ মাধৱ কৌশিকে বিশিষ্ট সাহিত্যিকগৰাকীলৈ এই বঁটা আগবঢ়ায়। উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত অনুষ্ঠিত এটা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত দেশৰ ২৪ গৰাকী শিশু সাহিত্যিকক আজি এই বঁটা প্ৰদান কৰা হয়। উল্লেখযোগ্য যে শিশু সাহিত্যিক হাজৰিকাক **বিপন্ন বিস্ময় খেল** গ্ৰন্থখনৰ বাবে সাহিত্য একাডেমীৰ শিশু সাহিত্য বঁটাটো আগবঢ়োৱা হৈছে। একেটা অনুষ্ঠানতে বড়ো ভাষাৰ শিশু সাহিত্যিক ভাৰ্জিন জেক'ভা মুছাহাৰীলৈয়ো শিশু সাহিত্য বঁটা আগবঢ়োৱা হয়।

০০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ সাপ্তাহিক দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ সন্দৰ্ভত আলোচনা কৰা হ'ব। অনুষ্ঠানত সমল ব্যক্তিৰূপে উপস্থিত থাকিব বিশিষ্ট চলচ্চিত্ৰ সমালোচক নয়ন প্ৰসাদ আৰু বিতোপন বৰবৰা। অনুষ্ঠানৰ আঁত ধৰিব ৰাজীৱ লোচন বৰঠাকুৰে। শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰলৈ ফোন কৰি অনুষ্ঠানটিত পোনপটীয়াকৈ অংশ ল'ব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০০

মণিপুৰত শান্তি শৃংখলা ঘূৰাই আনিবলৈ সুৰক্ষা বাহিনীসমূহক প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ গৃহ মন্ত্ৰালয়ে আজি নিৰ্দেশ দিছে। মন্ত্ৰালয়ে এটা বিবৃতিযোগে দুয়োটা সম্প্ৰদায়ৰ সশস্ত্ৰ দুষ্কৃতিকৰীয়ে হিংসাত লিপ্ত হোৱাৰ ফলত একাংশ নিৰপৰাধী লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে বুলি অৱগত কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিতত হিংসা অথবা অশূয়াজনিত কাৰ্যকলাপৰ সৈতে জড়িত লোকসকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্ত্ৰালয়ে সকীয়াই দিছে। উল্লেখযোগ্য যে এই সংক্ৰান্তীয় গুৰুত্বপূৰ্ণ গোচৰসমূহ ফলপ্ৰসূ আৰু খৰতকীয়া তদন্তৰ খাতিৰত ৰাষ্ট্ৰীয় তদন্ত সংস্থালৈ হস্তান্তৰ কৰা হৈছে। ইয়াৰ লগতে মন্ত্ৰালয়ে জনসাধাৰণক শান্তি বৰ্তাই ৰাখিবলৈ, কোনো ধৰণৰ উৰা বাতৰিত ভোল নাযাবলৈ আৰু ৰাজ্যখনত শান্তি-শৃংখলা বৰ্তাই ৰখাৰ বাবে সুৰক্ষা বাহিনীৰ সৈতে সহযোগিতা কৰিবলৈ আহ্বান জনাইছে।

০০০০০০০০

যুৱক-যুৱতীসকলক কৃষি কৰ্মৰ প্ৰতি আগ্ৰহী কৰি তুলিবলৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনোৱা আহ্বান মৰ্মে গোলাঘাট জিলাৰ মৰঙী পথাৰৰ ৰামধেনু কৃষি পামত আজি ফচল চপোৱা কাৰ্যসূচী শুভাৰম্ভ কৰা হয়।

বিত্তমন্ত্ৰী অজন্তা নেওগ আৰু বিধায়ক বিশ্বজিৎ ফুকনে কাতি আৰু আঘোণ মাহৰ দোমাহীৰ দিনা এই ধান দোৱা কাৰ্যসূচী মুকলি কৰে। কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি মৰঙী অঞ্চলত বিধায়ক বিশ্বজিৎ ফুকনৰ নেতৃত্বত দুবছৰ পূৰ্বে প্ৰতিষ্ঠা কৰা ৰামধেনু বহুমুখী সমবায় সমিতিৰ মুখ্য কাৰ্যালয়ো আজি বিত্তমন্ত্ৰী শ্ৰীনেওগে উদ্বোধন কৰে। এই অনুষ্ঠানত গোলাঘাট জিলা উন্নয়ন আয়ুক্ত, নুমলীগড় শোধনাগাৰৰ মুখ্য প্ৰৱন্ধক, কৃষি বিশ্ববিদ্যালয় আৰু কৃষি বিজ্ঞান কেন্দ্ৰ তথা জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীসকল উপস্থিত থাকে।

oooooooo

ডেৰগাঁও সাহিত্য সভাৰ শতবৰ্ষ সামৰণি অনুষ্ঠানৰ আজি দ্বিতীয় দিনা কবি নীলমণি ফুকন ক্ষেত্ৰত ১০১খন পতাকা উত্তোলন কৰা হয়। ডেৰগাঁও সাহিত্য সভাৰ সভাপতি আৰু উদ্‌যাপন সমিতিৰ সভাপতি দুগৰাকীয়ে মূল পতাকা উত্তোলন কৰাৰ লগে লগে বিভিন্ন  ক্ষেত্ৰৰ ১০১গৰাকী ব্যক্তিয়ে সাহিত্য সভাৰ পতাকা উত্তোলন কৰে। সভাৰ কাৰ্যসূচীৰ বিষয়ে ডেৰগাঁও সাহিত্য সভাৰ বিষয়ববীয়াই এনেদৰে কয়-

**-বাইট-**

oooooooo

দ্বাদশ উত্তৰ-পূব মহোৎসৱ নতুন দিল্লীত আনুষ্ঠানিকভাৱে আৰম্ভ হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ খাদ্য, গীত, নৃত্য, বস্ত্ৰ আদিকে ধৰি শিল্প, সংস্কৃতি আৰু সমাজ জীৱনৰ বিভিন্ন উপাদানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে এই মহোৎসৱৰ আয়োজন কৰা হয়। মহোৎসৱৰ লগত সংগতি ৰাখি প্ৰদৰ্শনী, সংগীতানুষ্ঠান, ফেশ্বন শ্ব'ৰ আদিৰ লগতে পৰ্যটন,ব্যৱসায় আদি বিষয়ক আলোচনা চক্ৰৰো আয়োজন কৰা হৈছে। প্ৰথমদিনাৰ কাৰ্যসূচীত কালি কেন্দ্ৰীয় মন্ত্ৰী পবিত্ৰ মাৰ্ঘেৰিটাই অংশগ্ৰহণ কৰি কয় যে-এই মহোৎসৱে দেশৰ অন্য প্ৰান্তৰ লোকৰ সৈতে উত্তৰ পূবৰ লোকসকলৰ সমন্বয়ত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

oooooooo

ৰাজ্য চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন চামলে আজি  ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ প্ৰশাসনৰ নিয়ন্ত্ৰণাধীন  বিভিন্ন বিভাগৰ মুৰববীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। পৰিষদৰ সচিবালয়ৰ প্ৰধান সচিবৰ সভাগৃহত অনুষ্ঠিত এই বৈঠকত প্ৰধান সচিব থাই টিচ ডাওলাগাপু উপস্থিত থকাৰ লগতে পৰিষদৰ আন আন সচিব তথা বিষয়াসকল উপস্থিত থাকে। এই বৈঠকত বিভিন্ন বিভাগৰ কাম-কাজসমূহৰ লগতে আঁচনিসমূহ ৰূপায়নৰ অগ্ৰগতিৰ বিষয়ে বুজ লোৱা হয়। পৰিষদে গ্ৰহণ কৰা আঁচনিসমূহৰ কামৰ অগ্ৰগতি সম্পৰ্কে বুজ লোৱাৰ বাবে অতিৰিক্ত মুখ্য সচিব বিশ্বৰঞ্জন চামলে তিনিদিনীয়া কাৰ্যসূচীৰে ডিমা হাচাও ভ্ৰমণ কৰিছে। অতিৰিক্ত মুখ্য সচিবগৰাকীয়ে পৰিষদৰ কাম-কাজত সন্তুষ্টি প্ৰকাশ কৰাৰ লগতে খাদ্য সামগ্ৰীসমূহ মজুত ৰখাৰ ক্ষমতা বৃদ্ধি কৰিবলৈও পৰামৰ্শ আগবঢ়ায়। আনহাতে, তেওঁ চিকিৎসা বিভাগসমূহত

oooooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ চাৰিশ ১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম ৱেগুৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফেচবুক পেজ-এয়াৰ নিউজ গুৱাহাটী আৰু ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাইছে**। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই আৰু ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০০

গোলাঘাট জিলা পুথি ভঁৰালত আজি বহনক্ষম গ্ৰাম্য ৰোজগাৰ উৎপাদন আঁচনিৰ হিতাধিকাৰীসকলৰ মাজত চেক বিতৰণ কৰা হয়। গোলাঘাট জিলা প্ৰশাসনৰ উদ্যোগত তথা নুমলীগড় শোধনাগাৰ সহযোগত এই অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকি বিত্ত মন্ত্ৰী অজন্তা নেওগে মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম আঁচনিৰ গোলাঘাট সমষ্টিৰ হিতাধিকাৰীসকলৰ সৈতেও মত বিনিময় কৰে। গোলাঘাট জিলাৰ আয়ুক্ত পুলক মহন্তৰ লগতে নুমলীগড় শোধনাগাৰ মানৱ সম্পদ বিভাগৰ মুৰববী, গোলাঘাট পৌৰ সভাৰ পৌৰপতি আৰু আন আন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০

বৰপেটাত অনুষ্ঠিত ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ অধীনৰ কোচবিহাৰ ট্ৰফীৰ অসম আৰু ঝাৰখণ্ডৰ মাজৰ খেলখনৰ আজি অমীমাংসিতভাৱে সামৰণি পৰে। ইয়াৰ ফলত প্ৰথম ইনিংছত লাভ কৰা অগ্ৰগতিৰ ভিত্তিত ঝাৰখণ্ডে ৩ পইণ্ট অৰ্জন কৰাৰ বিপৰীতে অসমে এক পইণ্ট সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। উল্লেখযোগ্য যে অসম ক্ৰিকেট সন্থাৰ উদ্যোগত আৰু বৰপেটা জিলা ক্ৰীড়া সন্থাৰ সহযোগত জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত অনুষ্ঠিত চাৰিদিনীয়া খেলখনত অসমে প্ৰথমে বেট ধৰি ২৭৬ ৰান সংগ্ৰহ কৰে। ইয়াৰ পাছত ঝাৰখণ্ডে প্ৰথম ইনিংছত ৩০৭ ৰান সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। দ্বিতীয় ইনিংছত অসমে চতুৰ্থ দিনৰ খেলৰ শেষলৈকে ৪ উইকেটৰ বিনিময়ত ১৪০ ৰান সংগ্ৰহ কৰে। চতুৰ্থ দিনৰ সমাপ্তিত অমীমাংসিতভাৱে খেলখন সামৰণি পৰে।

০০০০০০

**সমাপ্ত**